
শঙ্কর-জ্যোতি


(এক অধ্যায়ে সম্পূর্ণ নাটক)



শ্রীমাধব ভারতী

শঙ্কৰ-জ্যোতি

(এক অঙ্কীয়া ধৰ্ম্মমূলক নাটক)



প্ৰথম প্ৰকাশ

১৯৫৬ চন

প্ৰণেতা ঃ— শ্ৰীমাধৱ চন্দ্ৰ কাকতি

উত্তৰ গুৱাহাটী

বেচ—তিনিমহা মাত্ৰ

লিখকৰ প্ৰণিপাত

———:::———

জয় জয়তে জগত গুৰু শ্ৰীশ্ৰীমহাপুৰুষৰ চৰণত প্ৰণাম জনাই তেৰাৰ লীলা-কীৰ্ত্তন, গুণ, গৰিমাৰ সামান্য এটা অংশ বিশেষ মাত্ৰ নাট্য আকাৰে প্ৰকাশ কৰি নিজে তাৰ মাধুৰ্য্য উপভোগ কৰিবলৈ আৰু নাট্য সমাজৰ ওচৰত আগ বঢ়াবলৈ হেপাহ কৰি এই "শঙ্কৰ-জ্যোতি" নাটক খনি লিখা হৈছে। তাতে কোনো আধাৰত ত্ৰুটি ঘটিলে নাট্য সমাজ আৰু পাঠক সকলৰ ওচৰত ক্ষমা বিচাৰি অনুৰোধ জনালোঁ।

গুৰু সকলৰ চৰিত্ৰ পুথি আদি অধ্যয়ন কৰি তেৰা সকলৰ মহৎ কাৰ্য্য কলাপ সমূহ জানিব পাৰিলে অন্তৰত অশেষ ভক্তিৰ সঞ্চাৰ হয় সচা কিন্তু সেই চৰিত্ৰ সমূহ অধ্যয়ন কৰে কেইজনে। গুৰুসকলে অসমীয়া সমাজক, অসমীয়া ভাষা সাহিত্যক যি অমূল্য সম্পদ দান কৰি গৈছে তাৰ বিনিময়ে আমি যেনেদৰে ভক্তি প্ৰদৰ্শণ কৰা উচিত, তেনে ভক্তি প্ৰদৰ্শণ কৰিব নজনাৰ মূল কাৰণ হৈছে তেৰা সকলৰ মহৎ গুণ গৰিমা আদিৰ বিশেষত্ব উপলব্ধি কৰিব নোৱাৰা আৰু সময়োপযোগী ভাবে বহুল প্ৰচাৰ নোহোৱাৰ ফলতেই।

শ্রীশ্রীশঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰ দেৱ, গোপালদেৱ, হৰিদেৱ আদি ধৰ্ম্ম গুৰু সকলক অসম বাসীয়ে নজনা নহয় আৰু তেওঁলোক সকলৰ প্ৰতি সকলোৰে শ্ৰদ্ধা ভক্তি সম্পূৰ্ণ আছে। কিন্তু এটা প্ৰচলিত ৰীতি অনুসৰিহে বাৰ্ষিক তিথি দিবসটি প্ৰতি বছৰে পালন কৰি কিছুমান ৰাইজে সেই ভক্তি প্ৰদৰ্শণ কৰি আহিছে। উপযুক্ত প্ৰচাৰৰ অভাৱত গুৰু সকলৰ গুণ চৰিত্ৰ সমূহৰ বিষয়ে ৱহুতে একো ভু-কে নাপায়। গুৰুসকলৰ স্থাপিত সত্ৰ সমূহতো মাত্ৰ বাৰ্ষিক তিথি ফেৰাহে পালন কৰা দেখা যায়। বৰ্ত্তমান অৱস্থাত ভালেমান সত্ৰত জগত গুৰুৰ জন্মোৎসৱ, তিৰোভাব তিথি দিবসটিও পালন নকৰা হৈ আহিছে। বাস্তবিকে অসমীয়া ৰাইজৰ পক্ষে ই অতি পৰিতাপৰ বিষয়।

বুদ্ধ, জৈন, চৈতন্য. নানক, আদি ধৰ্ম্ম গুৰু সকলৰ তিথি পৰ্ব্ব আদি যেনে সমাৰোহেৰে পালন কৰা দেখা যায়, আমাৰ সত্ৰ সমূহত অসমৰ মূল গুৰু সকলৰ তিথি মহোৎসৱ তেনে সমাৰোহেৰে পালন কৰা যে নহয়, ইয়াক কোনেও নুই কৰিব নোৱাৰে। আজি পাচশ বছৰ আগতে যি গৰাকী মহাপুৰুষে অসমীয়া ভাষা, সাহিত্য, কলা, কৃষ্টি আদি ৰক্ষা কৰি এটা জাতিৰ যি মহৎ উপকাৰ সাধন কৰি গৈছে, যি গৰাকী মহাপুৰুষৰ অমৰ বানী আজিৰ যুগৰ মহামানৱ মহাত্মা গান্ধীয়েও অক্ষৰে অক্ষৰে পালন কৰিছে, সেই গৰাকী মহাপুৰুষক অসম বাসীয়ে হাৰে হিমজুৱে বুজিব নোৱাৰাটো সচাকৈয়ে আজিৰ দিনত এটা পৰিতাপৰ বিষয়। গুৰু সকলৰ গুণ, কীৰ্ত্তন আদি মুষ্টিমেয় দুই চাৰিজন লোককহে মাত্ৰ সভাই

সমিতিয়ে প্ৰকাশ কৰা শুনা হয়। সেই সামান্য প্ৰচাৰে নজনা ৰাইজৰ চেতনা জগাব নোৱাৰে। নানা প্ৰকাৰ কিতাপ পুথিত তেৰা সকলৰ গুণ, গৰিমা প্ৰকাশ কৰি বিশেষকৈ নাট্য আকাৰে অভিনয় আদিৰ ব্যৱস্থা লৈ এনে ধৰনে প্ৰচাৰ কাৰ্য্য চলাব লাগে যেন লৰা, বুঢ়া, ডেকা, গাভৰু সকলোৱে তেৰা সকলৰ লীলা কীৰ্ত্তন সদা সৰ্ব্বদাই উপভোগ কৰিবলৈ সুযোগ পায়। তেনে এটি উদ্দেশ্য হৃদয়ত সাৰোগত কৰিহে এই অধমে "শঙ্কৰ-জ্যোতি" নাটক খনি লিখাৰ মানস কৰিলো। মহাপুৰুষ সকলৰ তিথি মহোৎসৱ উপলক্ষে অনুষ্ঠিত হোৱা সভা-সমিতি আদিত অভিনয় কৰাৰ উপযোগী কৰি নিচেই চমুকৈ নাটক খনি লিখা হৈছে। নাটকৰ কোনো কোনো ঠাইত ঘটনাৰ সৌন্দৰ্য্য বঢ়াবৰ কাৰণে দুই এটি কাল্পনিক বিষয়ো নাটকত সংযুক্ত কৰা হৈছে। সেই বাবে কোনো ত্ৰুটি ঘটিলে মাৰ্জ্জনা পূৰ্ব্বক নাটক খনিক চেনেহৰ চকুৰে চালে লিখকৰ উদ্দেশ্য সফল হব। গুৰু জনাৰ বাল্য লীলা আৰু বাৰ্দ্ধক্য অৱস্থাৰ কাৰ্য্য কলাপ আদিও নাট্য আকাৰে প্ৰকাশ কৰিবলৈ ভৰষা কৰা হৈছে। সুধী সমাজৰ সহায় সহানুভূতি আৰু উপদেশ পালে লিখকৰ সেই ভৰষা পূৰণ হব।

উত্তৰ গুৱাহাটী
দিহিং সত্ৰ

বিনয়াবনত
শ্ৰীমাধৱ কাকতি

অৰ্পণ

জগত গুৰুৰ চৰণত প্ৰণিপাত জনাই অতি আগ্ৰহেৰে লিখা এই "শঙ্কৰ-জ্যোতি" নাটক খনি মোৰ পূজনীয় শহুৰ ফুলগুৰি (নগাওঁ) নিবাসী শ্ৰীযুত দামোদৰ বৰুৱাৰ হস্তত শ্ৰদ্ধাৰ চীন স্বৰূপে অৰ্পণ কৰা হল ।

উত্তৰ গুৱাহাটী
১৯৫৬ ইং

সেৱক
শ্ৰীমাধৱ কাকতি

কৃতজ্ঞতা জ্ঞাপন

"শঙ্কৰ-জ্যোতি" নাটক খনি হাতে লিখা অৱস্থাতে প্ৰফেচাৰ শ্ৰীযুত সৰ্ব্বানন্দ ৰয় এম, এ, দেৱে দয়া কৰি এবাৰ চকু ফুৰাই চায় কেইটি মান আসোৱাহ আঙুলিয়াই দি ভূল সংশোধনত সহানুভুতি দৰ্শোৱাৰ বাবে তেখেতৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জনোৱা হল।

শ্ৰীযুত ৰঘুদেৱ চৌধুৰী বি, এ. দেৱে নাটক খনি আগা-গোৰা চায় আসোৱাহ আদি আঙুলিয়াই দি বৰ্ণাশুদ্ধি কৰি কিতাপখনি ছপাশালত দিবলৈ উপযোগী কৰি দিয়াৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰা হল।

শ্ৰীচন্দ্ৰ কান্ত ভূঞা বি, এ, শ্ৰীধৰ্ম্মেশ্বৰ মেধি, শ্ৰীমায়াৰাম তামুলী, শ্ৰীগণেশচন্দ্ৰ ৰায় মেধি শ্ৰীতাৰিণী কান্ত বৰুৱা আদি কেই গৰাকীমান মোৰ অন্তৰঙ্গ বন্ধুৱে এই নাটক খনি শীঘ্ৰে প্ৰকাশ কৰিবলৈ উদগনি দিয়াৰ বাবে বন্ধুবৰ্গৰ ওচৰত মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

উত্তৰ গুৱাহাটী
১।৯।৫৬

শ্ৰীমাধৱ কাকতি

শঙ্কৰ জ্যোতি

(এক অঙ্কীয়া ধৰ্ম্মমূলক নাটক)

ভাৱৰীয়া সকল

শ্ৰীশ্ৰীশঙ্কৰ দেৱ—	মহাপুৰুষ শ্ৰী.শঙ্কৰ গুৰু
শ্ৰীশ্ৰীমাধৱ দেৱ—	মহাপুৰুষ শ্ৰীমাধৱ দেৱ
লিগিৰা আতৈ—	আলধৰা ভকত
গোবৰ্দ্ধন আতৈ—	খাটনীয়াৰ
মুৰাৰি আতৈ—	ধন ভৰালী
নিৰঞ্জন আতৈ—	নামঘৰীয়া
ৰামদেউ অধিকাৰী—	শাক্তপন্থীয়া গুৰু
নিৰ্ম্মল ভকত—	ঐ শিষ্য
গজপুৰীয়া ভকত—	ঐ নিশাপহৰীয়া
শ্ৰীপতি ঠাকুৰ—	পুজাৰী বামুন
ভবানন্দ—	বলিকটীয়া

জয়ৰাম আতৈ (ভোটান পাহাৰৰ প্ৰচাৰক) নৰহৰি আতৈ (নগা পাহাৰৰ প্ৰচাৰক) পৰমানন্দ আতৈ (মিকিৰ পাহাৰৰ প্ৰচাৰক) গোবিন্দ আতৈ (গাৰোপাহাৰৰ প্ৰচাৰক) জয়হৰি আতৈ (ভৈয়ামবাসী উন্নত সমাজৰ প্ৰচাৰক) গুণহৰি আতৈ (ভৈয়ামবাসী অনুন্নত সমাজৰ প্ৰচাৰক) ৰঘুদেৱভট্ট (ব্ৰাহ্মণ সমাজৰ প্ৰচাৰক) চান্দসাই (যৱন সমাজৰ প্ৰচাৰক) (চাৰিজন সেৱক, শিষ্যবৰ্গ আৰু ভক্ত বালক বালিকাসকল) ।

১ম অঙ্ক

—প্ৰস্তাৱনা—

(ভক্ত বালক, বালিকাসকলৰ প্ৰবেশ)

শঙ্কৰ ভজন

(বালক ও বালিকা দুশাৰী হৈ হাতত কৰতাল লৈ আঠু কাঢি)

উভয়ে—হে গুৰু শঙ্কৰ তোহো যুগ অৱতাৰ
তযু পাৱে কৰোহো প্ৰণাম ॥

বালক—প্ৰচাৰিলা নাম-ধৰ্ম্ম জীৱৰ কল্যাণ হেতু
মুক্তি পন্থ কৰিলাঙ্কা দান ।

বালিকা—অগতিৰ গতি দাতা মূঢ় গণ ত্ৰাণ কৰ্ত্তা
তুৱা পদে পশিলো শৰণ ॥

উভয়ে—হে গুৰু শঙ্কৰ ··· ··········· ····· ··· ··· ॥

বালক—শঙ্কৰ মাধৱ দোহো জন্মিলা ভাৰতে আসি
প্ৰদানিলে মুক্তিৰ সন্ধান ।

বালিকা—নামৰ ভাণ্ডাৰ ভাঙি ভুঞ্জাইলা অমৃত ৰাশী
ধন্য ভৈল অসমী সন্তান ॥


উভয়ে—হে গুৰু শঙ্কৰ······· · ···· · ········ ॥

বালক—ৰচিলা কীৰ্ত্তন ঘোষা ধৰ্ম্ম প্ৰচাৰৰ হেতু
ৰক্ষা কৈলা ভাষাৰ সম্মান ।

বালিকা—অস্পৃশ্যতা দূৰ কৰি একতা ডোলেৰে বান্ধি
কৰিলাহা অসম প্ৰধান ॥

উভয়ে—হে গুৰু শঙ্কৰ······················ ॥

(নমস্কাৰ কৰি প্ৰস্থান)



শঙ্কৰ-জ্যোতি

প্ৰথম অঙ্ক

১ম দৃশ্য।

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তীৰ্থ যাত্ৰা, লগত লিগিৰা আতৈ।

শঙ্কৰ দেৱৰ পৰিধান—মুগা বা পাতৰ চুৰীয়া, ডিঙিত উত্তৰী, গাত চেলেং, মুৰত খোপাবন্ধা চুলি, হাতত নাল লগোৱা জাপী, সো হাতত কমণ্ডলু।

লিগিৰা আতৈৰ পৰিধান—বগা চুৰীয়া, মূৰত দীঘল চুলি, গাত গামোচা বা চেলেং, কান্ধত একাষে জোলোঙা, একাষে কাপোৰ-কাণিৰ টোপোলা।

(পদব্ৰজে উভয়ৰে গমন, শঙ্কৰ দেৱে এপদ ঘোষা ধৰি গৈ থাকে)

ঘোষা—কৃষ্ণ এক দেৱ দুখহাৰী, কাল-মায়াদিৰো অধিকাৰী।
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ, তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণু সে সমস্ত জগতে সাৰ॥

লিগিৰা আতৈ—(দূৰলৈ চায়) বাপ! ক্ষন্তেক ৰবছোন, সৌ যে আতৰত এখনি নদী দেখা গৈছে, সেইখন কি নদী বাৰু? ইমান বহল নদী; ইপাৰ সিপাৰ একো দেখা নাযায়। বোধকৰো সেইখন নদী নহয় সমুদ্ৰহে।

শঙ্কৰদেৱ—(আতৰলৈ মূৰ দাঙি চায়) লিগিৰা আতৈ! তুমি ক'ত সমুদ্ৰ দেখিলা, সেইখন সমুদ্ৰ নহয়। মোৰ অনুমান হয় সেইখনিয়েই গঙ্গা নদী হব লাগে। আমাৰ ঠাইত থকা নদীবোৰতকৈ এই নদী সমূহ বৃহত্তৰ। এই বস্তু বিলাককে চাবলৈ আমি ইমান কষ্ট কৰি আহিছো। ভ্ৰমণত অতি কষ্ট পাইছো যদিও, এই নেদেখা বস্তু বিলাক দেখিলে সকলো দুখ ভাগৰ পাহৰি যাওঁ! তোমাৰ বাৰু কেনে লাগিছে কোৱাছোন?

লিগিৰা—বাপ! এখেৰ কৃপাতে আহি এই নেদেখা বস্তু বিলাক দেখিছোহি। এখেৰ লগত ইমান দূৰলৈ আহিবলৈ আমি প্ৰথমতে শঙ্কাহে কৰিছিলো। কিন্তু আহি বৰ সজ কাম কৰিলোঁ। নেদেখা বস্তুবিলাক দেখি নয়ণ সাৰ্থক হৈছে, প্ৰাণত তৃপ্তি লাগিছে।

শঙ্কৰ দেৱ—তুমি আহি সজ কাম কৰিলা। ব'লা এতিয়া আমি গঙ্গাৰ পাৰৰ ফালে খোজ লওঁ। (যাব ধৰে)।

লিগিৰা—বাপ! ঘোষা ফাকী ত'ত দুপদ গায়ে এৰিলে, শুনি বৰ ভাল লাগিছিল। আৰু এপদ ধৰক বাপ!

শঙ্কৰ দেৱ—বাৰু, তেন্তে আকৌ ধৰো। (ঘোষা আৰম্ভ কৰে)

নমো নমো নিত্য-নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বা পৰ আদি অন্ত
তুমিসে চৈতন্য সমস্তে ভৱ-ভাৱন্তা॥

ব্ৰহ্মা মহাদেৱ লক্ষ্মী দেৱী কায় বাক্যমনে থিৰ কৰি
পৰম আনন্দে চৰণ সেৱন্ত যাৰ।
সদা জন্ম-জৰা-মৃত্যু হীন শ্ৰীমন্ত সুন্দৰ গুণ নিধি
বিষ্ণুত বিনাই কোন দেৱ আছে আৰ ॥

লিগিৰা—(আতৰলৈ চায়) বাপ! খন্তেক ৰৰচোন। সৌ যে বিনিকী বিনিকী দেখা গৈছে, পৰ্ব্বতৰ শৃঙ্গৰ দৰে ইমান ওখ। দূৰৰ পৰা প্ৰকাণ্ড মন্দিৰৰ দৰেও দেখা যায়। এখেৰ দৃষ্টিত পৰিছে নে?

শঙ্কৰ দেৱ—এৰা! দেখা পাইছোঁ, মোৰ ধাৰণা হয় সেয়েই বোধকৰো কাশীধামৰ বিশ্বেশ্বৰ মন্দিৰ। ভগৱন্তৰ কৃপা হলে আমি সুকলমে গৈ দেখিবলৈ পামগৈ। শাস্ত্ৰত লিখিছে কাশীধাম এখনি অতি পুণ্য ক্ষেত্ৰ। আমি তাত ভালে-মান মূল্যবান বস্তু দেখিবলৈ পাম।

লিগিৰা—বাপ! আতৰৰ পৰা মন্দিৰ সমুহ গঙ্গা নদীৰ নিচেই পাৰতে থকা যেন দেখি। নহয়নে বাৰু!

শঙ্কৰ দেৱ—এৰা! নদীৰ পাৰতে মন্দিৰ সমূহ আছে। ব'লা এতিয়া আমি মন্দিৰৰ ফালে লক্ষ্য কৰি খোজ লওঁ। কাশীধামতে আমি এপষমান কাল থাকিব লাগিব। তাৰ পিছতহে অমি গঁয়া, বৃন্দাবন, মথুৰা, ব্ৰজপুৰ আদি ঠাইলৈ গমন কৰিম। শুনিবলৈ পাইছোঁ বৃন্দাবনত হেনো এতিয়াও শ্ৰীকৃষ্ণৰ বংশীধ্বনি শুনিবলৈ পোৱা যায়। বংশীধ্বনিৰ লগে লগে গো-বৎসৰ হেম্বেৰুনিৰ শব্দও মানুহৰ কাণত

পৰে। ব্ৰজপুৰত ব্ৰজবাসী সকলে ভগবান শ্ৰীকৃষ্ণৰ লীলা খেলাবোৰ নাট্য আকাৰে এনে ধুনীয়াকৈ অভিনয় কৰে, দৰ্শকৰ মন প্ৰাণ পমি যায়। তাত প্ৰাচীন নৃত্য, গীত-বাদ্য আদিৰ ভাল চৰ্চ্চা আছে। আমি ব্ৰজপুৰত বেছি নহলেও চাৰি পক্ষ কাল থাকিব লাগিব। তেহে আমি কিছুমান বিষয়ৰ তথ্য বুজিবলৈ সক্ষম হব পাৰিম। আমাৰ উদ্দেশ্য কেৱল ভ্ৰমণ কৰাটোয়েই নহয়, আমি ভালেমান তথ্য সংগ্ৰহ কৰি আৱশ্যকীয় বিষয় সমূহৰ পূৰ্ণ অভিজ্ঞতা লাভ কৰিব লাগিব। তেহে আমি উভটি গৈ নিজৰ জনম ভূমিত আহি দৰ্শাবলৈ সক্ষম হম। শিক্ষা, চৰ্চ্চা, নৃত্য, গীত, বাদ্যাদিত আমাৰ অসমৰ ভাই সকল নিচেই পিছপৰা। এই উন্নত সমাজ বিলাকৰ আৰ্হি আমাৰ সমাজত প্ৰচলন কৰি অসমীয়া সমাজক শিক্ষা, দীক্ষা, গীত, বাদ্য, নৃত্য আদি কলা বিদ্যাত পাৰ্গত কৰিব পাৰিলে সমাজৰ অশেষ উন্নতি সাধন হব। সেয়ে হৈ উঠিলে আমাৰো পৰিশ্ৰমৰ সফল হব। নহয় জানো লিগিৰা আতৈ!

লিগিৰা—বাপ! এখেৰ উদ্দেশ্য অতি মহৎ। নিজৰ ঠাইৰ উন্নতি সাধিব পাৰিলে ভাল হয়, কিন্তু বন্দীৰ হলে সেইফেৰা যোগ্যতা নাই। কেৱল নেদেখা বস্তু দেখিছোঁ, চকুৰ তৃপ্তি লভিছোঁ—সেয়ে যথেষ্ট। আনক আৰ্হি দেখুৱালেনো আমাৰ কি লাভ হব।

শঙ্কৰদেৱ—লিগিৰা আতৈ! তুমি গহিত কথা কৈছা। আমাৰ

উমান পৰিশ্ৰমৰ সম্ফল কেতিয়া হব জানানে ? যেতিয়া আমি আমাৰ সমাজক এই উন্নত সমাজ বিলাকৰ লগত খাপ খুৱাই সমানে আগুবাই নিবলৈ সক্ষম হম। আমাৰ সমাজত বৰ্ত্তমান যি ধৰ্ম্ম নীতিৰ প্ৰচলন আছে, সেই নীতিসমূহ সংস্কাৰ কৰিব লাগিব। কিছুমান স্বাৰ্থলোভী গুৰুৱে অসদ পন্থাৰে শিষ্যক ধৰ্ম্ম নীতি দৰ্শাই বিপথ গামী কৰিছে, সমাজ দিনক দিনে ধ্বংসৰ পথলৈ যাব ধৰিছে। সেই সমাজক সজ নীতি দৰ্শাই উন্নতিৰ পথত আগুৱাই নিব লাগিব। সেইফেৰাকে কৰিব নোৱাৰিলে আমৰ জীৱন অসাৰ্থক হব।

লিগিৰা—ভগবানৰ কৃপা হলে এখেৰ মহৎ উদ্দেশ্য সাধন হব। ভগৱানে এখেৰ আকাঙ্খ্যা পুৰণ কৰিব। বাপ ! এতিয়া স্নানৰ সময় হলহি। বলক সৌ সৰোবৰ খনিতে স্নান কৰাৰ দিহা কৰোগৈ।

শঙ্কৰদেউ—বলা, স্নানৰ সময় প্ৰায় উকলি গলহি। সেই সৰোবৰতে স্নান কৰি এমুঠি অন্ন ভোজণৰ ব্যৱস্থা কৰোঁগৈ। দিনটো ভ্ৰমণ কৰি সন্ধ্যা সময়ত আজি কাশী ধামৰ নিত্য প্ৰসঙ্গ শ্ৰৱন কৰিম বুলি ভৰষা কৰিছোঁ। লিগিৰা আতৈ ! তোমাকো মাজে সময়ে ঘোষা গোৱা শুনো। ঘোষা এপদ ধৰি লৈ বেগেৰে খোজ লোৱা।

লিগিৰা—বন্দীয়ে বৰ ভালকৈ গাব নাজানো। তথাপিতো আজ্ঞা হল যেতিয়াই, এখেতে কালি গোৱা ঘোষা পদকে আৰম্ভ কৰো। (ঘোষা আৰম্ভ কৰে)

ঘোষা—হে কৃষ্ণদেৱ পতিত পাবন নাহি তুমি বিনে কেৱ ।
তোমাৰ চৰণে পশিলো শৰণ ৰাখিয়োক প্ৰভুদেৱ ॥
ঋপু আদি যত হিংসা নকৰয় গ্ৰহ পীড়া নগণয় ।
ৰাক্ষসৰ পৰা বিঘ্নিক নাপাৰে বিষ্ণুক যিটো ভজয় ॥
প্ৰিয় সকলৰ মধ্যত যিজন হৰি দেৱতাৰ প্ৰিয় ।
আপদত যিটো নেৰয় ভকতি অব্যভী-চাৰি ভজয় ॥
সকাম নিস্কাম সৰ্বৱ কাম যুক্ত উদাৰ ভাবে মুক্ষ কাম ।
অব্যভিচাৰ ৰহিতে যি ভক্তি ভজ ঐ পুৰুষ পৰম ॥
নকৰিবা ধন জীৱনত গৰ্বৱ কালে কৰে সবে নাশ ॥
মায়াময় ইটো অখিল তেজিয়া ব্ৰহ্ম পদে লৈয়ো বাস ॥
যদি ইচ্ছা কৰা পৰম পদক জ্ঞানেসে পৰম পদ ।
আদৰ কৰিয়া তুমি মহাৰাজা গোবিন্দ নামসে বদ ॥

(ঘোষা গাই গাই স্নান উপলক্ষে আতৰি যায়)

দ্বিতীয় দৃশ্য

(বৈদিক যুগৰ দেৱতা পূজা অৰ্চ্চণা, প্ৰাচীন অসমত বলি বিধান পদ্ধতি)

(পুজাৰী আৰু বলিকটীয়াই পূজা স্থলিত পূজা আৰম্ভ কৰে)

শ্ৰীপতি ঠাকুৰ—আজি কাৰ্ত্তিক সংক্ৰান্তি দিবস উপলক্ষে সমস্ত দেৱতাৰ পূজা অৰ্চ্চৰ্ণা কৰা হব। আজিৰ পূজাত ভালেমান দৰ্শকৰ সমাগম হব আৰু লগে লগে আমাৰো

দুপইচা উপাৰ্জ্জন হোৱাৰ আশা। বলিকটীয়া! আমি এতিয়া পূজাৰ কাম আৰম্ভ কৰো।

ভৱানন্দ—পূজাৰী দেউ! পলম কৰাৰ সকাম নাই। আপুনি সোনকালে পূজাত বহক। সৌৱা কেইজনমান যাত্ৰী অহা দেখা গৈছে। (পূজাৰীয়ে পূজাৰ কাম আৰম্ভ কৰে)

(চাৰিজন সেৱকৰ প্ৰবেশ)

(সেৱকগণে হাতত পাৰহ চৰাই, লাও, কোমোৰা, আমতা, নৈবেদ্য আদি লৈ পূজা স্থলিত উপস্থিত হয়।)

পূজাৰী—তহঁত পূজা স্থলিলৈ অহাৰ নিশ্চয় কোনো গভীৰ কাৰণ আছে। দেৱতালৈ আগকৰা তহঁতৰ কিবা বস্তু আছেনেকি? যদি কিবা আনিছ, পূজাৰ সময়তে আগ বঢ়াই দে।

(সেৱক গণে নিয়া বস্তু পূজাৰীৰ হাতত দিয়ে)

পূজাৰী—তহঁত এতিয়া আঠু কাঢ়ি থাক। তহঁতে দেৱতালৈ আগ কৰি অনা বস্তু বিলাক মই দেৱতাৰ আগত অৰ্পণ কৰি বলি দিম। তাৰ পিছত তহঁতৰ অভিলাষ পূৰণৰ কাৰণে দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনাম।

(সেৱকগণে আঠু কাঢ়ি থাকে, পূজাৰীয়ে মন্ত্ৰ উচ্চাৰণ কৰি দেৱীৰ আগত ফুল, বেলপাত আদি চতিয়াই আৰু পূজাৰ ঘাণ্টি বজায়। শেষত পাৰহ, কোমোৰা, অমিতা আদি বলি কটীয়াই দা লৈ বলি দিয়ে। পূজাৰীয়ে সেৱক গণক বলিৰ তেজৰ ফোট দিয়ে)

পূজাৰী—(সেৱকগণৰ প্ৰতি) এতিয়া পূজাৰ কাম এক প্ৰকাৰ শেষ হৈছেহি। তহঁতে কোনে কি অভিলাষলৈ পূজালৈ আহিছ মোৰ ওচৰত ব্যক্ত কৰ।

১ম সেৱক—ঠাকুৰ দেউ ! মই বৰুণ দেৱতাক পূজা কৰিবলৈ আহিছোঁ। যোৱা বছৰ পানীৰ অভাৱত মোৰ খেতি পঠাৰ একো নহল। এসাজ খাই এসাজ লঘোনে থাকিব লগীয়া হৈছে। এইবাৰ যাতে বৰুন দেৱতা মোৰ প্ৰতি সদয় হয়, তাৰ বাবে দেৱতাৰ চৰণত প্ৰাৰ্থনা জনাব লাগে।

২য় সেৱক—ঠাকুৰ দেউ ! মই বায়ু দেৱতাক পুজা কৰিবলৈ আহিছো। মোৰ ঘৰ দুৱাৰ বিলাক এই বছৰ ভাল কৰিব নোৱাৰিলোঁ। বতাহ ধুমুহা মাৰিলে ভাঙি চুৰমাৰ হৈ মোৰ লৰা তিৰোতাবে সৈতে থাকিবলৈ উপায় নোহোৱা হব। বায়ু দেৱতাক মোৰ হৈ প্ৰৰ্থনা জনাব লাগে, আনৰ ঘৰ দুৱাৰ ভাঙিলেও মোৰ ঘৰ দুটা যেন নাভাঙি ৰক্ষা কৰে।

পুজাৰী—(বাকী দুজনক) তহতৰ অভিলাষ কি আছে শীঘ্ৰে প্ৰকাশ কৰ।

৩য় সেৱক—ঠাকুৰ দেউ ! যোৱা ফাগুণ মাহত অগ্নি দেৱতাই লোভ কৰি আমাৰ গাওঁখন তেনেই পুৰি ভস্ম কৰিলে। কোনোমতে ধাৰ ঋণ কৰি জুপুৰী পঁজা এডোখৰ সাজি লৈ তাতে মূৰটো সুমুৱাইছো। আনৰ ঘৰ বাৰী পুৰিলেও যেন মোৰ ঘৰটো ৰক্ষা কৰে তাৰ বাবে অগ্নি দেৱতাক প্ৰাৰ্থনা জনাব লাগে।

৪ৰ্থ সেৱক—পূজাৰী দেউ ! মই অতি দৰিদ্ৰ। এসাজ খালে এসাজ খাবলৈ নাপাওঁ। ধনৰ অভাৱতে আজিলৈকে বিয়া

বাৰু কৰিব পৰা নাই। আই ভগৱতীৰ চৰণত প্ৰাৰ্থনা জনাব লাগে যেন মোৰ প্ৰতি সদয় হৈ ধন, ৰত্ন প্ৰদান কৰে আৰু যেন মই এইবাৰ বহাগ মাহতে শাস্ত্ৰ সমস্ত কৰি বিয়াখন পাতিবলৈ সক্ষম হওঁ।

পূজাৰী—বেছ কথা। তোৰ হৈছে বৰুণ পূজা,' তোৰ হ'ল বায়ু পূজা, তোৰ অগ্নি পূজা আৰু তোৰ হ'ল ভগৱতী পূজা। তহতক মই এতিয়া সেৱাৰ প্ৰণালি বিলাক দেখুৱাই দিম। ঠিক ভাবে কায়মনোবাক্যে পূজাত সেৱা কৰিবি। মই ভালদৰে জনাই দিম। তইতৰ আকাঙ্ক্ষা নিশ্চয় পুৰণ হব।

(পূজাৰীয়ে সেৱাৰ প্ৰণালি দৰ্শাই)

বৰুণ পূজাৰ প্ৰণালি—(এখন ঠেং দাঙি উৰ্দ্ধ বাহু হৈ থাকে)। বায়ু পূজাৰ প্ৰণালি—(পেট পেলাই পৰি বুকু ফেট খুৱাই থাকে)। অগ্নিপূজা—(হাত, ভৰি আৰু মূৰ মাটিত লগাই ককাল ঠিয় কৰি থাকে)। ভগৱতী পূজা—(এটা আঠু কাঢ়ি এখন ভৰি পিচলৈ মেলি হাত আগফালে ৰাখি সেৱা কৰে) পূজাৰীৰ নিৰ্দ্দেশ মতে সেৱক গণে কাৰ্য্য কৰে। (বলি কটীয়াই শিঙা বজায় নাচে) পূজাৰীয়ে ঠিয় হৈ গা জোকাৰি ঘাণ্টি বজায় পূজাৰ মন্ত্ৰ উচ্চাৰণ কৰে। সেৱক গণক আশীৰ্ব্বাদ দি পদজল, নৈবেদ্য আদি দিয়ে আৰু পূজা সমাপন কৰে।

(প্ৰসাদ তোপোলা বান্ধি লৈ পূজাৰী আৰু লগতে সকলোৰে প্ৰস্থান।

তৃতীয় দৃশ্য

ৰামদেউ অধিকাৰী আৰু শিষ্য নিৰ্ম্মল ভকত।

(অধিকাৰে আসনত বহি ৰামায়ণ এক আধ্যা পঢ়ি শিষ্যক অৰ্থ বুজাই দিয়ে। শিষ্যই হাতত বিছনী লৈ আঠু কাঢ়ি গুৰুক বিছি থাকে)

ৰামদেউ---হেৰ নিৰ্ম্মল ভকত ! ৰামায়ণৰ তথ্য বিলাক তোক মই ভালদৰে ফহিয়াই বুজাই দিছোঁ। তোৰ কাণত সোমাইছেনে নাই বাৰু ? কোনো গুৰুয়ে শাস্ত্ৰৰ কথা এনেদৰে শিষ্যক ভাঙি পাতি নকয়। কাৰণ শিষ্য পণ্ডিত হলে গুৰুক নমনা নকৰা হয়। তোক কিন্তু মই শাস্ত্ৰৰ তত্ব বুজাই কৈছো। তই আকৌ নমনা নহবি বুজিছ। গুৰুক অমান্য কৰিলে শিষ্যৰ মহা পাপ হয়। তই পাপত ডুবি নমৰিবি।

নিৰ্ম্মলভকত—প্ৰভু ঈশ্বৰ ! গুৰুক নিন্দা কৰি এই দেহাটো কিয় পাপত ডুবাম। মই কিবা মুৰ্খনে ? এই অধমে এখেৰ দুখানি চৰণত সদাই প্ৰণাম কৰি থাকিম। ত'ত যেন এই দাসৰ প্ৰতি কৃপা দৃষ্টি হয়।

ৰামদেউ---তই মোৰ একান্ত ভকত, তোক কৃপা দৃষ্টিৰে নাচাই কাক ছাম। বাৰু নিৰ্ম্মল ! শিষ্য বিলাকে মোক ভাল পায়নে ? মোৰ প্ৰতি সিহঁতৰ শ্ৰদ্ধা ভক্তি আছেনে ?

নিৰ্ম্মল—নাথাকিব কেলেই। এখেৰ দৰে ৰূপে গুণে সুন্দৰ, থূলন্তৰ গুৰু এগৰাকীক শিষ্যই কিয় ভাল নাপাব।

সকলো শিষ্যই ত'ৰ' দুখানি চৰণৰ প্ৰতি শ্ৰদ্ধা ভক্তি জনাই থাকে।

ৰামদেউ—আতৰত থকা শিষ্য বিলাকক মোৰ চৰণ দৰ্শন দিবলৈ আজি ভালে দিনে চহৰ ফুৰিবলৈ যাব পৰা নাই। অহা মাঘ মাহতে আমি এইবাৰ চহৰ ফুৰিবলৈ যাম বুলি মনস্থ কৰিছো। যাব পাৰিলে আমাৰো মঙ্গল, শিষ্যৰো মঙ্গল।

নিৰ্ম্মল—প্ৰভু ঈশ্বৰ! শিষ্য বৰ্গই সদাই এই চৰণ দৰ্শণৰ কাৰণে হেঁপাহ কৰি থাকে। এখেত এবাৰ গমন কৰিলেই ভালেমান শিষ্য ভযাব পাৰিব। এই সময়ত গলে ধান চাউলো ভালেমান নিশ্চয় সংগ্ৰহ হব, কাৰণ এইবাৰ খেতি বৰ ভাল হৈছে। টকা পয়চাও নিশ্চয় কিছু অদায় হোৱাৰ আশা আছে। ফুৰিবলৈ যোৱা হলে এই বন্দীকো লগতে হৈ গলে কৃতাৰ্থ লভিম।

ৰামদেউ—যোৱাতো যদি ঠিক হয়, তোক এইবাৰ যেনে তেনে লগত লৈ যাম। তই চিন্তা নকৰিবি। এটা কথা বুজিছ—তই আগতে এবাৰ চহৰলৈ গৈ শিষ্য বৰ্গৰ ভাব-ভক্তি কেনে আছে বুজি আহিবিগৈ। সিহঁতৰ শ্ৰদ্ধা ভক্তি অটুত থকা যেন দেখিলেহে আমি যাবলৈ অভিমত কৰিম। নহলে আমাৰ সহজে গতি কৰা নহব।

(হঠাৎ গজপুৰীয়া ভকতৰ প্ৰবেশ)

গজপুৰীয়া—(আঠুকাঢ়ি সেৱা জনাই) প্ৰভু ঈশ্বৰ! এখেতে ৰামায়ণ পঢ়ি নিৰ্ম্মল ভকতৰ লগত ধৰ্ম্ম বাখ্যা কৰিছে

সচা—কিন্তু সিফালে সংসাৰত কি ঘটনা ঘটিছে তাৰ ভূ ৰাখিছে জানো ?

ৰামদেউ—গজপুৰীয়া ! ক'ত কি ঘটনা ঘটিছে কছোন ?

গজপুৰীয়া - প্ৰভূ ! শঙ্কৰ দেৱ মহন্তই কাশী, গঁয়া, বৃন্দাবন, মথুৰা আদি ঠাই বিলাক ভ্ৰমণ কৰি বহুত মূল্যবান কথা শিকি আহি নিজৰ ঘৰ পাইছেহি। তেওঁ আমাৰ সৰ্ব্বনাশ কৰিব ধৰিছে। কিবা বোলে নাম-ধৰ্ম্ম এটা তেওঁ প্ৰচাৰ কৰিছে। বহুত ৰাইজে তেওঁৰ ধৰ্ম্ম-মত গ্ৰহণ কৰিছে। আমাৰ শিষ্য সকলৰ ভিতৰতো কিছুমানে শঙ্কৰৰ ধৰ্ম্ম গ্ৰহণ কৰিছেগৈ। তেওঁ ৰাইজক উত্ৰাৱল কৰি তুলিছে। এটা প্ৰকাণ্ড নামঘৰ সাজি তাত ৰুক্মিণী-হৰণ ভাওনা পাতিছে। জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলোকে নাম গৃহত প্ৰবেশ কৰাই প্ৰসাদ বিটৰণ কৰিছে। জাত কুল সকলো ৰসাতললৈ নিলে। তেওঁ আমাৰ নাক, কাণ কাটিলে।

ৰামদেউ—কি কলি নিৰ্ম্মল ! সাধাৰণ কায়ষ্ঠৰ ল'ৰা এটাৰ এনে পৰাক্ৰম ! আমাৰ দৰে গণ্য মান্য শাক্ত গুৰু সকল থাকোতে, শাক্ত ধৰ্ম্মৰ পৰিবৰ্ত্তে নাম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ইমান সাহ পালে ? আমি জাতি ভেদ প্ৰথা বাহল ৰাখি উচ্চ জাতিৰ সম্মান ওপৰত ৰাখিছিলোঁ। তেওঁ নিজ মতলবে একাকাৰ কৰি আমাৰ সম্মান হানি কৰিলে। এনে কাণ্ড আৰু সহ্য কৰিব নোৱাৰো। শীঘ্ৰে উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। নিৰ্ম্মল আৰু গজপুৰিয়া

ভকত ! তইঁত দুয়ো আজিয়েই চহৰৰ ফালে ৰাওনা হ। আমাৰ শিষ্য সমূহক শঙ্কৰৰ ধৰ্ম্ম গ্ৰহণ নকৰিবলৈ উপদেশ দেগৈ। .আৰু কবিগৈ—প্ৰভু ঈশ্বৰ মাঘ মাহৰ ভিতৰতে চহৰ ফুৰিবলৈ আহিব। শৰণ ভজণৰ কাৰণে যাতে সকলো প্ৰস্তুত থাকে। মই এতিয়া মহাৰাজ নৰণাৰায়ণৰ ওচৰলৈ যামগৈ। এই বিষয়ে ৰজাৰ ওচৰত এটা অভিযোগ দিবগৈ লাগিব। ৰজা, প্ৰজা সকলোৰে প্ৰিয় শাক্ত ধৰ্ম্ম ৰাজ্যত চলিথকা অৱস্থাত শঙ্কৰে কিয় এনে হীন ধৰ্ম্ম এটা প্ৰচাৰ কৰি ৰাইজক বিপথে টানি নিছে। শীঘ্ৰে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগিব। আৰু শুনিছ—তহতে যতেই নাম ধৰ্ম্ম গ্ৰহণ কৰা লোকক লগ পাবি, সিহঁতৰ ডিঙিৰ পৰা ধৰ্ম্মৰ মালা গুটি বলেৰে কাঢ়ি আনি কুকুৰৰ নেজত আৰি দিবি। সাধাৰণ শুদ্ৰ হৈ ব্ৰাহ্মণৰ ধৰ্ম্ম নীতিত হস্তক্ষেপ কৰিছে ? শঙ্কৰদেৱ ! তোমাৰ আৰু ৰক্ষা নহব। তইঁত এতিয়াই ৰাওনা হ, ময়ো মহাৰাজ নৰনাৰায়ণ ৰজাৰ কাষলৈ ৰাওনা হওঁ। (খড়েৰে প্ৰস্থান) (লগতে নিৰ্ম্মল আৰু গজপুৰীয়াৰ প্ৰস্থান)

চতুৰ্থ দৃশ্য

(মহাপুৰুষ শঙ্কৰদেৱে গাদীত বহি কীৰ্ত্তন পুথি লিখি থাকে । গোবৰ্দ্ধন আৰু মুৰাৰি আতৈয়ে গুৰুক সেৱা কৰি চালিত বহে)

শঙ্কৰদেৱ—তীৰ্থ পৰ্য্যটন কৰাৰ লগে লগে সকলো হিন্দু শাস্ত্ৰৰ মূল তত্ব পূৰ্ণ কীৰ্ত্তন পুথি খনিৰ প্ৰথম লিখনি আৰম্ভ কৰা হয় কাশীধামতে। কৃষ্ণৰ কৃপা হলে আজি লিখনি সমাপ্ত কৰা হব । আতইসকল ! তোমালোক এখন্তেক বহা। আমি ঘোষা এপদ লিখি সামৰণি মাৰিহে তোমালোকৰ লগত কথা হম ।

(কীৰ্ত্তনৰ আধ্যা লিখে আৰু নিজে গায়)

সত্যযুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰি নাম কৰিল গুপুত ।
কিনো দয়াময় হৰি নামক বেকত কৰি
কলি পাপ কৰাইল লুপুত ॥
যিটো মহা ম্লেছ জাতি সিয়ো শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰি নাম লয় ।
কলিৰ ভয়ত গৈয়া নামত শৰণ লৈয়া
ৰহিল সমস্ত ধৰ্ম্মচয় ॥
ইটো কলিকাল ঘোৰ পাপৰ নাহিকে ওৰ
আতে হিত চিন্তিলা প্ৰজাৰ ।
জগতৰে পাপ হৰে শ্মৰণে নিস্তাৰ কৰে
হেন নাম কৰিলা প্ৰচাৰ ॥

শঙ্কৰদেৱ—আতাই সকল! ঘোষা পদ শুনি তোমালোকৰ ভাল লাগিছেনে?

গোবৰ্দ্ধন আতৈ—আতা! এনে সুমধুৰ, এনে সুৰলা ঘোষা জীৱনত কেতিয়াও শুনা নাছিলো। আজিহে প্ৰথম শ্ৰৱণ কৰি কৃতাৰ্থ লভিছোঁ।

মুৰাৰি আতৈ—আতা! তেৰাৰ যদি কৃপা হয়, আৰু এপদ লিখি গাই শুনালে নথৈ আনন্দ লভিম।

শঙ্কৰদেৱ—বাৰু তেন্তে, তোমালোকৰ কথা ৰাখিলোঁ।

(পুনৰ এপদ লিখে আৰু গায়)

পাতক শুকান বন হৰি নাম হুতাশণ
ক্ষণেকতে দহি কৰে ছন্ন।
তেন নাম প্ৰচাৰিলা পাতকীক নিস্তাৰিলা
পৰম কৃপালু নাৰায়ণ ॥
কৃষ্ণৰ কিঙ্কৰে কহে হৰি নামে পাপ দহে
ৰাম নাম সবাতো অধিক।
যিতো জনে নাম স্মৰে সকল পাতক তৰে
অনায়াসে পাৰে মুকুতিক ॥

শঙ্কৰদেৱ—এতিয়ালৈ ইমানতে সামৰণি মাৰিলোঁ। আজি সন্ধিয়া সম্পূৰ্ণ ঘোষা পদ লিখি শেষ কৰা হব। শুনিবলৈ আগ্ৰহ থাকিলে সময় মতে তোমালোক বৰ চালিলৈ আহিবা।

(পুথি সামৰি থয়)

বাৰু, এতিয়া তোমালোকে কি অভিপ্ৰায় লৈ আমাৰ কাষলৈ আহিছা প্ৰকাশ কৰা ।

গোবৰ্দ্ধন আতৈ—আতা ঈশ্বৰ ! এখেত যেতিয়া তীৰ্থ ভ্ৰমণ উপলক্ষে গতি কৰে, বন্দীহঁত বৰ চিন্তিত হৈছিলো যে খোজ কাঢ়ি ইমান দূৰ দেশলৈ কেনেকৈ যাবগৈ। যাতায়তৰ কোনো সুবিধা নাই, এনে অৱস্থাত বাটত কোনো বিপদ ঘটিব বুলি সন্দেহ কৰিছিলো, কিন্তু ভগবানৰ কৃপাত ত'ত মঙ্গলে আহি গৃহ পালেহি । ইয়াৰ পৰা বাৰু কাশীলৈ কিমান দূৰ বাট হব ?

শঙ্কৰদেৱ— গোবৰ্দ্ধন আতৈ ! তুমি বাৰু কথাষাৰ শুধিছা । ইয়াৰ পৰা কাশী ধামলৈ ভালেমান দূৰ হয় । আমি বহু নদ, নদী, পৰ্ব্বত, ভৈয়াম অতিক্ৰম কৰি গৈ কাশী ধাম পাওঁতে ছমাহ সময় লাগিছিল আৰু তাৰ পৰা ঘূৰি আহি এই খিনি পাওঁতে চাৰিমাহ সময় লাগিছে। পথত যান বাহণৰ কোনো সুবিধা পোৱা নাযায়। মাত্ৰ কিছুমান ঠাইত গৰু গাড়ীৰ প্ৰচলন আছে । আমি গাড়ীত উঠা নাছিলো, খোজ কাঢ়িয়েই গৈ আছিলো। নিশা হলে কোনো সন্যাসীৰ আশ্ৰমাদিত থিতাপি লওঁ। নিশা আমি আহাৰ ভোজন নকৰোঁ । দিনৰ দ্বিপ্ৰহৰ যোৱাত কোনো নদী বা সৰুবৰৰ পাৰত এমুঠি চাউল সিজাই দুটিমান অন্ন ভোজন কৰি লওঁ, সেই দৰেই আমি থকা কালছোৱা কটাইছিলোঁ ।

মুৰাৰী আতৈ—আতা ঈশ্বৰ ! এখেৰ লগত যোৱা লিগিৰা

আতৈয়ে বোধকৰো বৰ কষ্ট পালে। সমস্ত দিনটো খোজ কাঢ়ি ভ্ৰমণ কৰি এসন্ধ্যা খায়নো তেওঁ কেনেকৈ আছিল ?

শঙ্কৰদেৱ—সেই কথা নকবা। অভ্যাস কৰিলেই মানুহে সকলো কৰিব পাৰে। প্ৰথম অৱস্থাতে তেওঁক অলপ অশান্তি কৰা যেন দেখিছিলো, পিছলৈ তেওঁ সহ্য কৰিব পৰা হলগৈ। নেদেখা ঠাই বোৰ দেখি তেওঁ বৰ আনন্দ লভিছিল। ভোজনৰ কথা পাহৰি তীৰ্থ ভ্ৰমণ কৰাতহে তেওঁৰ আগ্ৰহ হৈছিল।

গোবৰ্দ্ধন আতৈ—লিগিৰা আতৈৰ মুখে ভাটি ফালৰ তীৰ্থস্থান বিলাকৰ বিৱৰণ শুনি মনটোত এনেহে লাগে যেন বন্দীয়েও এবাৰ গৈ চাই আহিম গৈ। এখেত যদি পুনৰ সেইফালে গতি কৰা হয়, কৃপা কৰি বন্দীকো এইবাৰ লগতে লৈ গলে কৃতাৰ্থ হওঁ।

মুৰাৰী আতৈ—বন্দীৰো এবাৰ ভাটিৰ ফালে যাবলৈ আগ্ৰহ হৈছে। ত'ত পুনৰ গতি কৰিলে বন্দীও এইবাৰ যাবলৈ ওলাম। কাশী, গয়া, বৃন্দাবন, মথুৰা, প্ৰয়াগ আদি তীৰ্থ ক্ষেত্ৰ সমূহৰ বিবৰণ সিদিনা ত'ত যেনেৰূপে প্ৰকাশ কৰিলে, শুনি বৰ আনন্দ লভিলোঁ। মনত এনেহে লাগিছে যেন এবাৰ গৈ চাই আহি জীৱন সাৰ্থক কৰো।

শঙ্কৰদেৱ—আমি যাবলৈ ওলাওঁতেই তোমালোককো লগ ধৰিছিলো নহয়। কিন্তু তোমালোকে খোজ কাঢ়ি ইমান দূৰ যাবলৈ শঙ্কা কৰিলা। কেৱল মাত্ৰ লিগিৰা আতৈ হে

যাবলৈ ওলাল, তেওঁৰ মনৰ বল দেখি তেওঁক ধন্যবাদ দিছো। বৃন্দাবনত আমি যিদিনা গৈ উপস্থিত হওঁগৈ, ভগৱান শ্ৰীকৃষ্ণৰ বংশী ধ্বনি আহি কৰ্ণত প্ৰবেশ কৰিছিল। আমাৰ মন প্ৰাণ বিগলিত হৈ আত্মহাৰা হলো। সকলো দুখ ভাগৰ পাহৰি গৈ তন্দ্ৰা লাগি বননীৰ ওপৰতে নিদ্ৰা ভাৱ আহিল। লিগিৰা আতৈ আনন্দত উত্ৰাৱল হৈ নাচিবলৈ ধৰিলে, বুজিছা!

গোবৰ্দ্ধন আতৈ—হৈছে; লিগিৰা আতৈয়ে নানাছিব কেলেই। বন্দীহঁতে শুনিয়েই নাচিবৰ মন গৈছে। আৰু বৰ্ণনা কৰক প্ৰভু, শুনি বৰ আনন্দ লাগিছে।

শঙ্কৰদেৱ—আৰু শুনা, অৰণ্যৰ মাজত থকা মধু বনলৈ আমি এছোৱা সোমাই গলো। অৰণ্যৰ মাজত গাভিব হেম্বেলনি কাণত পৰিল। মধুবন খনি অসংখ্য ফল, মূল নানা তৰহৰ পুষ্প বৃক্ষৰে পৰিপুৰ্ণ। দেখিলে মন প্ৰাণ হৰি যায়। অসংখ্য বন্য জন্তু তাত এনে মিলা-প্ৰীতিৰে বাস কৰিছে, কাকো কোনেও হিংসা নকৰে। বান্দৰ বিলাক আমাৰ কাষলৈ আহি আকাৰে ইঙ্গিতে কথা হৈ বাট দেখুৱাই লৈ যাই শ্ৰীফল বৃক্ষ দেখুৱাই দিলেগৈ। মনত এনেহে লাগে যেন সিহঁতৰ লগতে অৰণ্যত বাসকৰি থাকিবা।

(লিগিৰা আতৈৰ প্ৰবেশ)

লিগিৰা—(আঠুকাঢ়ি সেৱা জনাই) বাপ! কৰবাৰ পৰা এগৰাকী সুন্দৰ থূলন্তৰ লোক আহি সত্ৰৰ বাট চৰাত উপস্থিত হৈছোহি। দুখানি চৰণৰ দৰ্শণ অভিলাষ কৰিছে।

শঙ্কৰদেৱ—মানুহ গৰাকী ক'ৰ পৰা আহিছে? তেওঁৰ কিবা পৰিচয় দিছেনে?

লিগিৰা—অলপ মাত্র পৰিচয় দিছে। তেওঁৰ নাম হেনো মাধৱ দেৱ, শাক্ত পন্থীয় লোক বুলি অনুমান হয়।

শঙ্কৰদেৱ—কি ক'লা, মাধৱদেৱ আমাৰ ওচৰলৈ আহিছে? ঘোৰ শাক্ত পন্থী মহা তেজস্বী মাধৱদেৱ। তেৰা আমাৰ গৃহলৈ অহাৰ উদ্দেশ্য বুজিব পৰা নাই। লিগিৰা আতৈ! তুমি শীঘ্রে তেৰাক আমাৰ কাষলৈ লৈ আহাগৈ।

লিগিৰা—ত'ত আজ্ঞা হৈছে যেতিয়াই বন্দীয়ে এতিয়াই গৈ লৈ আহিমগৈ। (সেৱাকৰি প্রস্থান কৰে)

শঙ্কৰদেৱ—আতাই সকল! তোমালোকে বোধকৰো জানা—ৰামদেউ গুৰু আৰু মাধৱ দেৱ ঘোৰ শাক্ত পন্থী তেজস্বী পুৰুষ। ধৰ্ম্ম সম্পৰ্কীয় বাক্ বিতন্দাৰ কাৰণেই খুব-সম্ভৱ মাধৱদেৱ আমাৰ ওচৰলৈ আহিছে। যিহেতু তেওঁ-লোকে আমাৰ ধৰ্ম্মক নিন্দা কৰে।

মুৰাৰী আতৈ—শাক্ত পন্থীয়া লোক এজনক আমাৰ সত্রত প্রবেশ কৰিবলৈ দিয়াটো ঠিক নহব যেন পাওঁ। এখেৰ আজ্ঞা হলে তেওঁক বাহিৰৰ পৰাই খেদি পঠাব পৰা হয়।

শঙ্কৰদেৱ—মুৰাৰা আতৈ! তেনে কাৰ্য্য কেতিয়াওঁ নকৰিবা। যি ধৰ্ম্মতে দীক্ষিত লোক নহওঁক, আমি কাকো নিন্দা বখনা নকৰো। ধৰ্ম্ম সম্পৰ্কীয় যুক্তি-মূলক তৰ্ক কৰিবলৈ আমি সদাই প্রস্তুত আছো।

গোবৰ্দ্ধন—সেই আষাৰ ভাল আজ্ঞা কৰিছে, কিন্তু শাক্ত পন্থৰ লোক সকলে আমাৰ ধৰ্ম্মক বৰ নিন্দা কৰে। কেৱল নিন্দা কৰাই নহয়, তেঁও লোকে নাম ধৰ্ম্ম গ্ৰহণ কৰা লোকসকলক ভালে মান ক্ষেত্ৰত অপমানো কৰিছে। শিষ্য সকলে গ্ৰহণ কৰা মালা গুটি পৰ্য্যন্ত বলেৰে কাঢ়ি নি কুকুৰৰ নেজত আৰি দি ধৰ্ম্মক অবজ্ঞা কৰিছে।

শঙ্কৰদেৱ—কোনো সকলৰ স্বাৰ্থত ব্যাঘাট জন্মাৰ কাৰনেই তেনে অন্যায় কাৰ্য্যত লিপ্ত হৈছে। যেতিয়া আমাৰ ধৰ্ম্মৰ মূল বস্তু খিনি উপলব্ধি কৰিব পাৰিব, সেই সকলো অত্যাচাৰ অচিৰে লুপ্ত হৈ নাম ধৰ্ম্মৰ প্ৰতি আস্থা বাঢ়িব বুলি আমাৰ দৃঢ় বিশ্বাস আছে। আমাৰ সনাতন ধৰ্ম্মৰ মূল তথ্য সমূহ অতি সৰল, অতি মূল্যবান।

(মাধৱদেৱক লৈ লিগিৰা আতৈৰ প্ৰবেশ)

শঙ্কৰদেৱ—(মাধৱদেৱৰ প্ৰতি) আহক, আসন পাৰি থোৱা আছে দয়া কৰি বহক। আপোনাক আমি আগৰ পৰাই জানো। কিন্তু দেখা সাক্ষাত হবলৈহে সুযোগ হোৱা নাছিল। ভগৱন্ত পুৰুষৰ কৃপাত আজি সক্ষাত হবলৈ পাই অতি আনন্দিত হৈছো (মাধৱদেৱ বহে)

মাধৱদেৱ—এখেতকো আমি আগৰে পৰা জানো। দেখা সাক্ষাতহে হোৱা নাছিলো। এখেত যেতিয়া তীৰ্থ পৰ্য্যটন উপলক্ষে যাত্ৰা কৰে, সেই সম্বাদো আমি পাইছিলো। পদব্ৰজে গৈ যে ইমানখিনি ঠায় পাবগৈ আমাৰ সন্দেহ জন্মিছিল। আশা কৰো এখেত মঙ্গলেৰে আহি পালেহি।

শঙ্কৰদেৱ—নাৰায়ণৰ কৃপাত সৰ্ব্বপ্ৰকাৰ মঙ্গলে আহি পোৱাহি হল ।

মাধৱদেৱ—তীৰ্থ ভ্ৰমণ উপলক্ষে এবাৰ যাবলৈ আমাৰো বৰ আগ্ৰহ জন্মিছে । যোৱাৰ সময়ত এখেতৰ পৰা যাতায়ত সম্পৰ্কে কিছু বিৱৰণ জানি লব লাগিব । তেহে আমাৰ ৰাওনা কৰাত সুবিধা হব ।

শঙ্কৰদেৱ—অতি সজ কথা। যাবলৈ আগ্ৰহ জন্মিছে যেতিয়াই শীঘ্ৰে যোৱাৰহে ব্যৱস্থা কৰিব লাগে । যাতায়ত সম্পৰ্কে আমাৰ যি ফেৰা অভিজ্ঞতা হৈছে, সবিশেষ তেৰাক জানিবলৈ দিয়া হব । পিছে—আজিনো এই ফালে কিবা উদ্দেশ্যত অহা হৈছে জানিব পাৰিলে সন্তোষ পাওঁ ।

মাধৱদেৱ—উদ্দেশ্য বিশেষ একো নাছিল । আমি আহিছিলো আই ভগৱতীৰ আগত বলি বিধানৰ কাৰণে এটি পঠা ছাগলী বিচাৰি । বিশেষ কাৰণত আগ বঢ়াই থোৱা হৈছিল গতিকেই সোধাব লগীয়া হৈছে । আমি হৈছো শাক্ত পন্থৰ লোক । পূজা, অৰ্চ্চনা বলি বিধান নকৰিলে আমাৰ ধৰ্ম্ম সিদ্ধি নহয় । মানৱ জীৱনৰ কল্যাণ পথত বাধা জন্মে । গাওঁৰ ফালৰ পৰা ঘূৰি এই ফালেই আহিব লগীয়া হল গতিকেই, তেৰাৰ লগত সাক্ষাত হবলৈ মন কৰিলোঁ । অহাৰ বাবে এখেত কিবা অসন্তোষ পালেনে কি ?

শঙ্কৰদেৱ—ৰাম, ৰাম ! কিয় তেনে কথা কৈছে । এখেতৰ অহাৰ বাবে আমি অতি সন্তোষহে পাইছো । ভাল বাৰু !

গুৱা এখনি ফলাই ৰখা হৈছে গ্ৰহণ কৰক। (শৰাই আগবঢ়াই দিয়ে)

মাধৱদেৱ—ফলা গুৱা আমাৰ গ্ৰহণ কৰা নহব। নাম-ধৰ্ম্ম অৱলম্বন কাৰী সকলৰ হাতে কটা গুৱা শাক্ত পন্থীয়া লোকে গ্ৰহণ নকৰে। শাক্ত ধৰ্ম্ম অতি প্ৰাচীন আৰু জীৱ মুক্তিৰ অমূল্য সম্পদ। নাম-ধৰ্ম্ম প্ৰচাৰ হোৱা আজি কেইদিন হ'ল। ঈশ্বৰৰ নাম ললেই ঈশ্বৰক সহজে পাব নোৱাৰে। উপযুক্ত ক্ৰিয়া কৰিলেহে ঈশ্বৰক পাব পাৰে। শাক্ত ধৰ্ম্ম পন্থাত ঈশ্বৰক লাভ কৰাৰ উপযুক্ত পথ আছে।

শঙ্কৰদেৱ—আপুনি ভূল বাখ্যা কৰিছে। কোনো ধৰ্ম্মকে নিন্দা কৰিব নাপায়। মহৎ লোকে ধৰ্ম্মক নিন্দা কৰা মহা পাপ বুলি ভাবে। ধৰ্ম্মমতৰ আমি সদ বাখ্যাহে কৰিব পাৰো, নিন্দা কৰিলে পাপত ডুবিব লাগিব। আমাৰ সনাতন ধৰ্ম্মৰ মূল তথ্য সমূহ আপোনাক বুজাই কোৱা হব। লগতে এখেতক এষাৰ কথা শুধিব খোজো—প্ৰকৃতিৰ আগত জীৱ হত্যা কৰি বলি দিলে কেনে প্ৰকাৰ পূণ্য হব পাৰে। জীৱ মাত্ৰে শিৱ, অৰ্থাৎ যত জীৱ—তত শিৱ। মনুষ্য জন্তু, পশু, পক্ষী, কীট, পতঙ্গ সকলোকে ভগবানে সৃষ্টি কৰিছে। এই সকলো পৰমাত্মাৰ অংশ মাত্ৰ।

যত জীৱ মঙ্গম কীট পতঙ্গম অগ নগ জগতেৰ কায়া
সবহু মাৰি পুৰত ওহি উদৰ, নাহি কৰতু ভূত দায়া॥

ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ যৈচন গগন বিয়াপি
নিন্দাবাদ পিশুণ হিংসা হৰি, তেৰি কৰোহো হামু পাপী ॥

তেনেহলে কোন যুক্তিমতে প্ৰকৃতিদেৱীৰ ওচৰত সেই আত্মা-ৰূপী ভগৱানক বলি দিয়া হয় ? এটা জীৱৰ সামান্য কল্যাণৰ কাৰণে ভগবানৰ সৃষ্টিৰ আন এটা জীৱক হত্যা কৰিলে ভগৱান সন্তুষ্ট হবনে বিতুষ্ট হব, এবাৰ গভীৰকৈ ভাবি চাওঁকছোন ? বেদ, পুৰাণ, গীতা, ভাগৱত আদি ধৰ্ম্ম শাস্ত্ৰ বিলাকত পৰমাত্মা আৰু জীৱাত্মা বিলাকৰ মাজত কি সম্পৰ্ক জৰিত থাকে ফহিয়াই লিখা আছে। বোধ-কৰো আপোনাৰ অভিজ্ঞতা আছে।

মাধৱদেৱ— ভালেমান শাস্ত্ৰ আমিও অধ্যয়ণ কৰিছোঁ। কিন্তু সকলো শাস্ত্ৰৰে মত একে নহয়। দ্বাপৰ, ত্ৰেতা, আদি যুগ বোৰত চাওঁক –অশ্বমেধ, মহিষ বধ, মেষদাহ আদি নানা প্ৰকাৰৰ বলি বিধান প্ৰথা আছিল। নিজৰ মুক্তি আৰু উদ্দেশ্য সাধনৰ কাৰণে বলি বিধানৰ প্ৰথা অতী-জৰে পৰা চলি আহিছে। আপুনি সেই চলিত প্ৰথা কোন যুক্তিত বন্ধ কৰিব পাৰিব ?

শঙ্কৰদেৱ—আপোনাৰ যুক্তিত মই ঘোৰ প্ৰতিবাদ কৰোঁ। এতিয়া ধৰ্ম্ম-তত্ত্বৰ মুল ভেটিলৈ আহক। চাৰি বেদ, চাৰি শাস্ত্ৰ, গীতা, ভাগৱত আদিৰ মূল্যবান আখ্যান বিলাকলৈ লক্ষ্য কৰক। ঋগ্বেদৰ পঞ্চদশ আধ্যাত জীৱৰ মুক্তিৰ পথ কেনেদৰে বাখ্যা কৰা আছে মনত পৰিছে নে ? আৰু আপুনি সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ মূল

ভিত্তিত চাওঁক—(বাক তৰ্ক বন্ধ কৰি হাতৰ ' ঠাবেৰে আকাৰে ইঙ্গিতে ধৰ্ম্ম তত্ত্ব ব্যাখ্যা কৰে) (বিষয় বস্তু— ধৰ্ম্ম বৃক্ষৰ পাতত জল দিয়াতকৈ মূলত দিলেহে ফল হয়, বলি বিধানৰ প্ৰয়োজন নকৰে। উভয় মহাপুৰুষৰ ধৰ্ম্মতত্ত্ব ব্যাখ্যাত মাধৱদেৱে পৰাজয় স্বীকাৰ কৰে আৰু শঙ্কৰক গুৰু মানি লয় ।

মাধৱদেৱ—শ্ৰীমন্ত শঙ্কৰ ! আপুনি উপযুক্ত শাস্ত্ৰজ্ঞ, মহা পণ্ডিত, অৱতাৰী পুৰুষ। আপোনাৰ প্ৰচাৰিত সনাতন ধৰ্ম্ম অতি প্ৰসস্ত বুলি মই মানি ললোঁ। আপোনাক চিনিব নোৱাৰি নানা বাক্যালাপ কৰিলোঁ। কোনো আষাৰ অপৰাধ ঘটিলে মাৰ্জ্জনা কৰিব। আজিৰ পৰা মই আপোনাৰ শিষ্যত্ব গ্ৰহণ কৰিলোঁ। আপুনি মোৰ গুৰু।

(সেৱা কৰে)

শঙ্কৰদেৱ—(গাদীৰ পৰা উঠি আহি মাধৱদেৱক উঠাই দি আলিঙ্গণ কৰে) মাধৱদেৱ ! তুমি মহা পণ্ডিত। তোমাৰ শাস্ত্ৰ অভিজ্ঞতা দেখি মই অতি সন্তোষিত হৈছো। তুমি মোৰ শিষ্যত্ব গ্ৰহণ কৰিছা যদিওঁ তোমাক মোৰ যুক্তি পৰামৰ্শ দাতা সঙ্গী বুলিহে মই গণ্য কৰিম। ভগৱানে তোমাক শক্তি প্ৰদান কৰিব, জগতে তোমাক শ্ৰদ্ধা কৰিব।

মাধৱদেৱ—গুৰুদেউ ! আপোনাৰ আজ্ঞা শিৰোধাৰ্য্য কৰি নিজকে ধন্য মানিলোঁ।

শঙ্কৰদেৱ—আতাই সকল ! আজি অতি আনন্দৰ দিন। শাক্ত পন্থীয় পণ্ডিত প্ৰবৰ মাধৱ দেৱে আমাৰ ধৰ্ম্ম মত আগ্ৰহেৰে গ্ৰহণ কৰিছে। তেৰাক পাই আমি অতি ধন্য

মানিছো। তোমাসবে আমাৰ প্ৰতি যেনেকৈ সন্মান প্ৰদৰ্শণ কৰি থাকা, মহা পুৰুষ মাধৱদেৱৰ প্ৰতিও তেনেদৰেই সন্মান প্ৰদৰ্শণ কৰিবা বুলি আমি আশা কৰিছোঁ। বলা এতিয়া আমি সকলোটি নাম গৃহলৈ গৈ সন্ধিয়াৰ নাম প্ৰসঙ্গ আদি সমাধা কৰোগৈ। আহা প্ৰিয় মাধৱদেৱ! আজি প্ৰথম দিনৰ কাৰণে তুমি আমাৰ নিত্য প্ৰসঙ্গত যোগদান কৰাগৈ।

(সকলোৰে প্ৰস্থান)

(অলপ পাচতে নাম গৃহত শঙ্খ, ডবা, কাঁহ আদি বাজি উঠে; ভোৰ তাল বাজে, প্ৰসঙ্গ আৰম্ভ হোৱা শুনা যায়)

পঞ্চম দৃশ্য

শঙ্কৰদেৱ, মাধৱদেৱ আৰু ভকত সকল। (ধৰ্ম্ম গাদীত শঙ্কৰদেৱ কাষতে সাধাৰণ আসনত মাধৱদেৱ আৰু ভকত সকল মাটিত বহে। নিৰঞ্জন আতৈয়ে হৰিধ্বনি দিয়ে, সকলোৱে ধৰে।

নিৰঞ্জন আতৈ— অ' হৰি

ভকতসকল— অ' ৰাম।

নিৰঞ্জন আতৈ— অ' ৰাম।

ভকত সকল— অ' হৰি

সকলোৱে— উৎসৱ কৰিয়ে হৰি ॥

শঙ্কৰদেৱ—প্ৰিয় মাধৱদেৱ আৰু আমাৰ প্ৰিয় ভকত সকল ! আজি আমাৰ অতি আনন্দ উৎসৱৰ দিন। পৰ্ব্বতে, ভৈয়ামে, চহৰে, নগৰে থকা আমাৰ উপযুক্ত শিষ্যবৰ্গ আজি সত্ৰত আহি একত্ৰিত হোৱাত নিশ্চয় শুভ লক্ষণ বুলি অনুমান কৰা হৈছে। এই সুযোগতে, সকলোৰে সাক্ষাতে আমাৰ অভিমত প্ৰকাশ কৰিব খোজোঁ। সকলোৱে কৰ্ণপাত কৰি শুনিবা। ভগৱন্ত প্ৰভুৰ কৃপাত, আমাৰ নাম ধৰ্ম্মৰ প্ৰতি সকলো ৰাইজৰে দিনক দিনে আস্থা বাঢ়ি আহিছে। এনে অৱস্থাত আমাৰ লগত মহাপুৰুষ মাধৱদেৱক পাই, আমি অতি উৎসাহিত আৰু আনন্দিত হৈছো। আমাৰ প্ৰিয় ভকতসকল ! আমি এতিয়া দ্ৰুত গতিৰে আমাৰ ধৰ্ম্ম কাৰ্য্য প্ৰচাৰ কৰিব লাগিব। অসমৰ চুকে কোণে থকা সকলো ঠাইতে নাম-ধৰ্ম্ম প্ৰচাৰ কৰাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যেন সমাজ এক ধৰ্ম্মত দীক্ষিত হৈ এক মতে থাকি ধৰ্ম্ম, কৰ্ম্ম, শিক্ষা, দিক্ষা, ভাষা, সংস্কৃতি, শিল্প আদিত পাৰ্গত হৈ, জনম ভূমিৰ কল্যাণ সাধিবলৈ সক্ষম হব পাৰে। ঠায়ে ঠায়ে ডাঙৰ ডাঙৰ নামঘৰ নিৰ্ম্মান কৰাই, তাত ভাৱনা সবাহ, নাম-কীৰ্ত্তন আদি নিত্য প্ৰসঙ্গৰ বাৱস্থা কৰিব লাগে। খোল, তাল, মৃদং, কাহ, ডবা আদি বাদ্য যন্ত্ৰ সমূহ নিৰ্ম্মাণ কৰিবৰ কাৰণে এনে এটি শিল্পী সমাজ গঢ়ি তুলিব লাগিব, যাৰ দ্বাৰা অসমীয়া সমাজে স্বাৱলম্বী বুলি জগতত গণ্য হব পাৰিব। নিজৰ ভাষা সাহিত্য অক্ষুন্ন

ৰাখিবৰ কাৰণে কীৰ্ত্তন, দশম, গীতা, ভাগৱত, নাম ঘোষা আদি ধৰ্ম্মপুথি ৰচনা কৰি সমাজক সৎ শিক্ষা প্ৰাদান কৰিব লাগিব, অন্যথায় অসমীয়া ভাষা সাহিত্য লুপ্ত প্ৰায় হৈ সমাজ দোভাষী হৈ পৰিব। মহাপুৰুষ মাধৱদেৱ! তুমি তত্বজ্ঞ পণ্ডিত। গীত, পদ, ঘোষাৰে পৰিপূৰ্ণ ধৰ্ম্মপুথি সমূহ লিখি অসমীয়া ভাষা সাহিত্যৰ মৰ্য্যদা ৰক্ষা কৰাৰ দায়ীত্ব তোমাৰ ওপৰত থাকিল। ইতিমধ্যে আমিও কীৰ্ত্তন পুথিৰ লিখা কাৰ্য্য সমাপ্ত কৰিছোঁ। আমাৰ সাধ্য অনুসৰি ধৰ্ম্মতত্ব পূৰ্ণ মূল্যবান পুথি আৰু অঙ্কীয়া নাট পদ আদি লিখি অসমীয়া ভাষা সাহিত্যত সম্বল যোগাবলৈ আশা কৰিছোঁ,

মাধৱদেৱ—এখেৰ আজ্ঞা সাধ্যানুসৰি পালন কৰিবলৈ পুৰুষাৰ্থ কৰা হব। ত'ৰ আজ্ঞা শিৰোধাৰ্য্য কৰি শীঘ্ৰে কাৰ্য্য হাতত লোৱা হব। মাত্ৰ ত'ৰ কৃপা কামনা কৰো।

শঙ্কৰদেৱ—নাৰায়ণে তোমাক কৃপা কৰিব। তোমাৰ মনোৰথ সফল হব। এতিয়া আমাৰ পৰ্ব্বত ভৈয়ামৰ প্ৰিয় ভকত সকল! তোমাসবে নীৰৱে থাকিলে নহব। বৌদ্ধ জৈন ধৰ্ম্ম আদিৰ প্ৰচাৰক সকলে পাহাৰে ভৈয়ামে দ্ৰুত গতিৰে নিজ নিজ ধৰ্ম্ম প্ৰচাৰত অগ্ৰসৰ হৈছে। এনে সন্ধিক্ষণত যদি উপযুক্ত ভাৱে আমাৰ ধৰ্ম্ম কাৰ্য্য চলোৱা নহয়, তেন্তে আমাৰ অসমীয়া ভাই সকলৰ ভালেমান লোক অন্যান্য ধৰ্ম্মত দীক্ষিত হবগৈ। গতিকেই বিলম্ব নকৰি শীঘ্ৰে প্ৰচাৰ কাৰ্য্য চলাই সকলোকে

একতাবদ্ধ কৰি এনে এখনি সমাজ গঢ়ি তুলিব লাগিব যেন, অসমীয়া জাতিৰ নিজত্ব ৰক্ষা হৈ দেশ দেশান্তৰত থকা অন্যান্য উন্নত সমাজ বোৰৰ লগত সমানে ফেৰ পাতি আগবাঢ়ি যাবলৈ সক্ষম হব পাৰিব। পাহাৰী ভাই সকলক ভৈয়ামবাসীৰ লগত মিলাপ্ৰীতিৰ ডোলেৰে বান্ধ খুৱাই সাম্যভাৱ সৃষ্টি কৰি, এনে এটা শক্তি গঢ়িব লাগিব—যাৰ ওচৰত আন শক্তিয়ে মূৰ দোৱাবলৈ বাধ্য হব। আমাৰ এই অভিমত কাৰ্য্যত পৰিণত হলে অসমীয়া জাতিৰ উন্নতি অনিবাৰ্য্য। আমাৰ এই অভিমত অসমীয়া সমাজে বৰ্ত্তমান উপলব্ধি কৰিব নোৱাৰিলেও, বহু বছৰৰ পিচত হলেও এদিন ইয়াৰ সত্যতা উপলব্ধি কৰি কাৰ্য্যত পৰিণত কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

জয়হৰি আতৈ—আতাদেউ! এখেৰ সাকুৱা উপদেশ কাৰ্য্যত পৰিণত কৰিবলৈ অহো পুৰুষাৰ্থ কৰা হব। অসমীয়া সমাজৰ উন্নতি সাধনত আত্মনিয়োগ কৰিবলৈ সংকল্প কৰা হৈছে। অসমৰ চুকে কোণে, পাহাৰে ভৈয়ামে সকলোতে নাম ধৰ্ম্ম প্ৰচাৰৰ ব্যৱস্থা হব লাগে।

শঙ্কৰদেৱ—তুমি উচিত কথা কৈছা জয়হৰি আতৈ! শীঘ্ৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰা হব। ভুটীয়া পাহাৰৰ জয়ৰাম আতৈ, নগা পাহাৰৰ নৰহৰি আতৈ, গাৰো পাহাৰৰ গোবিন্দ আতৈ, ভৈয়ামবাসী উন্নত সমাজৰ জয়হৰি আতৈ, ভৈয়ামবাসী অনুন্নত সমাজৰ গুণহৰি আতৈ; ব্ৰাহ্মণ সমাজৰ ৰঘুদেৱ ভট্ট আৰু যৱন সমাজৰ চান্দসাই

আতৈ ! তোমা সবে প্ৰতিজনে নিজ নিজ অঞ্চলত সনাতন ধৰ্ম্ম মত প্ৰচাৰ কৰি আমাৰ আজ্ঞাৰ মূল্য ৰাখিবা বুলি আমি ভৰষা কৰিছো। তোমাসবে আমাৰ সাক্ষাতে থিয় হৈ নিজ নিজ মন্তব্য প্ৰকাশ কৰিলে আমি নথৈ সন্তোষিত হ'ম।

জয়ৰাম আতৈ—(থিয় হৈ) আমি ভুটীয়া জাতিৰ লোক। শঙ্কৰ গুৰুৰ সনাতন ধৰ্ম্ম আমি আগ্ৰহেৰে গ্ৰহণ কৰিছোঁ। গুৰুৰ নিৰ্দ্দেশ মতে আমাৰ পাহাৰত সনাতন ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আমি চেষ্টা কৰিম। (বহে)

নৰহৰি আতৈ—(থিয় হৈ) আমি নগা পাহাৰৰ পৰা আহিছো। সনাতন ধৰ্ম্ম গ্ৰহণ কৰি আমি আনন্দিত হৈছো, গুৰুৰ আজ্ঞা মতে আমাৰ পাহাৰত ধৰ্ম্ম-মত প্ৰচাৰ কৰিবলৈ আমি অগ্ৰসৰ হৃম। (বহে)

পৰমানন্দ—(থিয় হৈ) আমি জাতিত মিকিৰ। শ্ৰীমন্ত শঙ্কৰৰ সনাতন ধৰ্ম্মত আমি দীক্ষিত হৈছোঁ। আমাৰ পাহাৰত নাম-ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গুৰুৰ সাক্ষাতে মই সঙ্কল্প কৰিলোঁ। (বহে)

গোবিন্দ আতৈ—(থিয় হৈ) শঙ্কৰ গুৰুৰ নাম-ধৰ্ম্ম গ্ৰহণ কৰিছো যেতিয়াই আমাৰ গাৰো পাহাৰত উক্ত ধৰ্ম্ম-মত প্ৰচাৰ কৰিবলৈ গুৰুৰ সাক্ষাতে মই প্ৰতিজ্ঞা কৰিলোঁ। (বহে)

জয়হৰি আতৈ—(থিয় হৈ) ভৈয়ামবাসী উন্নত সমাজৰ প্ৰতিনিধি স্বৰূপে এই অধমে নাম-ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যত আত্ম নিয়োগ কৰিবলৈ প্ৰস্তুত হৈছোঁ। (বহে)

গুণহৰি আতৈ—(থিয় হৈ) ভৈয়ামবাসী অনুন্নত সমাজৰ প্ৰতিনিধিত্ব কৰি এই অধমে ত'ৰ দুখানি চৰণত জনাওঁ যে উক্ত সম্প্ৰদায় সমূহে, ইতিমধ্যে নাম ধৰ্ম্ম গ্ৰহণ কৰি নিজকে ধন্য মানিছে। (বহে)

ৰঘুদেৱ ভট্ট—ব্ৰাহ্মণ সমাজৰ লোক আমি। ব্ৰাহ্মণ সমাজৰ যি সকলে সনাতন ধৰ্ম্ম-মতক নিন্দা কৰে, সেই সকলৰ আগত নাম-ধৰ্ম্মৰ সাৰতত্ব প্ৰকাশ কৰি প্ৰচাৰ কাৰ্য্যত অগ্ৰসৰ হবলৈ আমি প্ৰস্তুত হৈছো।

চান্দসাই আতৈ—আমি যবন সমাজৰ প্ৰতিনিধি। অসমত সিচৰিত হৈ থকা যবন সমাজত সনাতন ধৰ্ম্মমত প্ৰচাৰ কৰিবলৈ আমি সাধ্যানুসৰি চেষ্টা কৰিবলৈ ক্ৰুটি নকৰিম। এয়ে আমাৰ নিবেদন।

শঙ্কৰদেৱ—প্ৰচাৰক সকল! তোমালোক সকলোৰে শুভ অভিমত আৰু প্ৰতিশ্ৰুতি পাই আমি নথৈ সন্তোষিত হৈছো। ভগৱন্ত পুৰুষৰ ওচৰত প্ৰাৰ্থনা কৰিছো যেন তোমালোকৰ উদ্দেশ্য সাধনত শক্তি প্ৰদান কৰে।

গুণহৰি আতৈ—ধন্য গুৰু শঙ্কৰ, ধন্য তব অভিমত। ত'ৰ আশীৰ্ব্বাদ শিৰপাতি গ্ৰহণ কৰিলো (সেৱাকৰে) সকলোৱে শঙ্কৰ গুৰুক (সেৱাকৰে)

শঙ্কৰদেৱ—মহাপুৰুষ মাধৱদেৱ! এতিয়া আমাৰ ভাগত পৰিল উজনী অসম আৰু তোমাৰ ভাগত পৰিল নামনি অসম। উজনী অসমত ভ্ৰমণ কৰি অহৰহ প্ৰচাৰ কাৰ্য্যত আমি লিপ্ত থাকিম, আৰু তুমি বৰপেটা অঞ্চলকে কেন্দ্ৰ কৰি নামনি অসমত ভ্ৰমণ কাৰ্য্যত লিপ্ত থাকি ধৰ্ম্ম প্ৰচাৰ কৰিবা বুলি আমি ভৰষা কৰিলো। বৰ্ত্তমান আমি আমাৰ জন্মস্থান বৰদোৱা সত্ৰকে কেন্দ্ৰ কৰি উজনী অসম খণ্ডত প্ৰচাৰ কাৰ্য্যত লিপ্ত থাকিম। আৱশ্যক অনুসৰি আমি সকলো ঠাইতে উপস্থিত হমগৈ। ইতিমধ্যে পুনৰ তীৰ্থ ভ্ৰমণ উপলক্ষে যাত্ৰা কৰিবলৈকো আমাৰ আকাঙ্ক্ষা আছে।

মাধৱদেৱ—তেৰাৰ আজ্ঞা শিৰোধাৰ্য্য কৰি নামনি অসমত নাম-

ধৰ্ম্ম প্ৰচাৰৰ দায়ীত্ব আমি বহন কৰিলো। আশীৰ্ব্বাদ কৰিব যেন কৃতকাৰ্য্যতা লভিব পাৰো ।

শঙ্কৰদেৱ—নাৰায়ণে কৃপা কৰি তোমাক জয় যুক্ত কৰক। তুমি দীৰ্ঘায়ু হৈ সুখ্যাতি লাভ কৰিবা ।

—ভক্ত বালক গণৰ প্ৰবেশ—

(আঠুকাঢ়ি হাত যোৰকৈ)

—গুৰু ভজন—

জয় গুৰু শঙ্কৰ জয় গুৰু মাধৱ
জয় ভক্ত প্ৰচাৰক গণ ॥
জয় ভাগৱতী ধৰ্ম্ম জয় ঘোষা কীৰ্ত্তন
জয় গুৰু তব পদে পশিলোঁ শৰণ ॥
জয় গুণ সাগৰ জয় তব প্ৰচাৰ
ধন্য গুৰু ধন্য শিষ্য ধন্য তব দান—
জয় জগত বন্ধু তাৰাহে সংসাৰ সিন্ধু
প্ৰাণামো চৰণে তব অবোধ সন্তান ॥

(হাত যোৰকৈ প্ৰণাম কৰি একাষে থিয় হৈ থাকে)

মাধৱদেৱ—গুৰুদেৱ ! এখেৰ সকলো নিৰ্দ্দেশ শিৰপাতি গ্ৰহণ কৰিলোঁ। আজ্ঞানুসৰি প্ৰচাৰ কাৰ্য্যত আত্মনিয়োগ কৰিবলৈ পুৰুষাৰ্থ কৰা হব। সৰ্বব শেষে এই চৰণত মাত্ৰ এষাৰ অনুৰোধ জনাব খোজে যেন কৃপা কৰি এখেৰ ৰচিত বৰগীত এপদ গাই উপস্থিত ভকত সকলৰ অন্তৰত অমৃতৰ ধাৰা বোৱাই কৃতাৰ্থ কৰে।

শঙ্কৰদেৱ—মাধৱদেৱ ! তুমি যি সম্পদ বিচাৰিছা সেই অভিলাষ পুৰণ কৰা হব। (আজ্ঞা কৰে) নামঘৰীয়া। তাল মৃদং আদি বাদ্য সমূহ শীঘ্ৰে লৈ আহা।

নিৰঞ্জন আতৈ—আতা ! বন্দীয়ে এতিয়াই তাল মৃদং আদি

বাদ্য সমূহ লৈ আহিমগৈ। (সেৱা কৰি বেগেৰে যায়
শঙ্কৰদেৱ—মাধৱদেৱৰ বাক্য আষাৰি ৰাখিবলৈ আমি অভিম কৰিলোঁ। নিচেই চুটিকৈ বৰগীত এপদ ধৰা হব। আশা কৰো তোমালোক সকলোৱে লগতে গীত ধৰি গীতৰ মাধুৰ্য্য বঢ়াবা আৰু গীতিৰস হেপাহেৰে পান কৰিবা।

—তাল মৃদং লৈ নামঘৰীয়াৰ প্ৰবেশ—

(শঙ্কৰদেৱে মৃদং তুলি লয়, মাধৱদেৱ আৰু এগৰাকী ভকতে তাল হাতত লয়। শঙ্কৰে গীত আৰম্ভ কৰে, সকলোৱে গায়)

গীত—আশোৱাৰী পৰিতাল

মাধৱক সঙ্গে পাইয়া ভৈলা আনন্দিত।
প্ৰচাৰিলা নাম ধৰ্ম্ম ভূবনে বিদিত॥
তপ, যপ, যজ্ঞ, দান নাহি প্ৰযোজন।
কলিত হৰিৰ নাম মুক্তিৰ সন্ধান॥
কহয় শঙ্কৰ দীন দাস অনুদাস।
ভজ গুৰু লহ নাম তেজিয়া বিলাস॥

সামৰণী মাৰি গীতৰ হৰিধ্বনি দিয়ে।

শঙ্কৰদেৱ ভকতসকল। ব'লা এতিয়ালৈ যাওঁ, সকলোৱে নিজ নিজ কৰ্ত্তব্যত আত্মনিয়োগ কৰোগৈ।


ভকত সকল—জয় মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ জয়॥
জয় মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জয়॥

(সকলোৰে প্ৰস্থান)

(শঙ্কৰদেৱ আগে আগে আৰু বাকী সকল পাচত যায়)

—সমাপ্ত—

বিঃ দ্ৰঃ—তাল, মৃদং লৈ বৰগীত গোৱাৰ ব্যৱস্থা নহলে ভক্ত বালকগণে গোৱা গুৰু ভজনৰ অন্তত শ্ৰীশ্ৰীশঙ্কৰ, মাধৱৰ জয়ধ্বনি দি নাট সমাপ্ত কৰিব পাৰিব। —নাট্যকাৰ—



ভুল শুধৰণি

পৃষ্ঠা	শাৰী	শুদ্ধ
১ অৰ্পণ	৬ষ্ঠ শাৰীত	চিণ
৬ পৃষ্ঠা	৬ষ্ঠশাৰীত	অব্যভিচাৰী
৬ পৃঃ	২য় দৃশ্য ১ম, ৫ম, শাৰীত	অৰ্চ্চনা
৮ পৃঃ	৩য় শাৰীত	পগাৰ
১১ পৃঃ	৯ম শাৰীত	ভজাব
১২ পৃঃ	১৩ শাৰীত	বিতৰণ
১২ পৃঃ	২০ শাৰীত	উচ্চ
১২ পৃঃ	১১ শাৰীত	গজপুৰীয়া
১৪ পৃঃ	১০ শাৰীত	স্মৰণে
১৫ পৃঃ	১৬ শাৰীত	সিটো
১৬ পৃঃ	২০ শাৰীত	সৰোবৰৰ
১৮ পৃঃ	৭ম শাৰীত	নাচিবলৈ
	৮ম শাৰীত	নানাচিব
	৯ম শাৰীত	নাচিবৰ
	১২ শাৰীত	গাভীৰ
২০ পৃঃ	৫ম শাৰীত	পৰ্য্যন্ত
২০ পৃঃ	৭ম শাৰীত	ব্যাঘাত
২১ পৃঃ	১৪ শাৰীত	ছাগলি
	১৬ শাৰীত	অৰ্চ্চনা
২২ পৃঃ	২২ শাৰীত	জঙ্গম
২২ পৃঃ	৭ম শাৰীত	চাওকচোন
২৪ পৃঃ	৯ম শাৰীত	প্ৰশস্ত

লৰালৰিকৈ ছপোৱাত ভুল বৈ যোৱাৰ বাবে শুধৰণি দিয়া হ'ল। ২য় সংস্কৰণত সংশোধন কৰা হব।

—লিখক—

গ্ৰন্থকাৰৰ প্ৰকাশিত নাটক সমূহ ঃ—

যুগ-পতন (কাল্পনিক ধৰ্ম্ম মূলক নাটক) মূল্য ১॥০

শঙ্কৰ-জ্যোতি (ধৰ্ম্ম মূলক নাটক) মূল্য ৮০

জোৱাই ভুত (সামাজিক ৰহস্য মূলক নাটক) মূল্য ১।০

হৰিচন্দ্ৰৰ স্বৰ্গাৰোহণ (পৌৰাণিক ধৰ্ম্ম মূলক নাটক) মূল্য ২৲

ঋণমুক্তি (যন্ত্ৰস্থ) (সামাজিক সমস্যা মূলক নাটক)

ক্ষিপ্ত বীৰাঙ্গনা (অহল্যা বাঈ) (বুৰঞ্জী মূলক নাটক) (যন্ত্ৰস্থ)

তলত লিখা ঠাইত কিতাপ সমূহ পাব

[illegible]	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
কৃষ্টি প্ৰতিষ্ঠান	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
[illegible]	[illegible]
জ্যোতি-প্ৰকাশ সভা	তেজপুৰ
লক্ষ্মী ভাণ্ডাৰ	বঠা (নগাওঁ)

প্ৰকাশক শ্ৰী [illegible] প্ৰেছ, গুৱাহাটী, মুদ্ৰাকৰ— শ্ৰী [illegible] দাস

চন ১৯৫৬ ইং